অসম চৰকাৰ

GOVERNMENT OF ASSAM

প্ৰাথমিক শিক্ষা বিভাগ

# শৈক্ষিক দিনপঞ্জী

## শিক্ষাবৰ্ষ ২০২০

### নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ বাবে

GOVERNMENT OF ASSAM
SECONDARY EDUCATION DEPARTMENT
DISPUR::GUWAHATI-06

No. ASE 780/2019/1 Dated Dispur the 20th December, 2019

**ORDER**

In pursuance of Govt. notification issued vide no. ASE 22/2016/17 dated 27/10/2017, the SCERT, Assam; SEBA and AHSEC has prepared the Academic Calendar, 2020 – 2021 for Class-I to XII. The academic calendar prepared by the academic authorities has to be followed strictly by all heads of institutions. Any deviation from the same shall be viewed seriously.

As per the Academic Calendar of 2020-2021, the following actions have to be taken by concerning school heads:-

a) The class routine of each school irrespective of LP, UP, High and Higher Secondary School must have a uniform pattern as indicated in Academic Calendar;

b) School hours has to be maintained strictly for each class as mentioned in the Academic calendar;

c) There will be two Tiffin breaks, as mentioned in the calendar;

d) In case of Primary Schools, the last two periods should be planned in such a way that students are engaged in Co-curricular activities. During this time Staff meetings are to be held for preparation of Lesson Plan/Checking of Answer Booklets and for other academic related works by the teachers;

e) The School timings of Elementary schools located in the tea garden areas is different, as mentioned in the academic calendar.

f) In respect of Barak Valley, there should be a reduction in the no of holidays for the summer vacation by 5 days and increase in the Durga Puja Holidays by another 5 more days;

g) In case of Higher Secondary students, an extra class is to be held for the Science stream students from 3.30 to 4.10 P.M. for holding Practical examination. For the other streams (i.e. Arts & Commerce) school will get over at 3.30 P.M.;

h) The Unit Test of the Elementary, Secondary, Higher Secondary schools is to be held according to the convenience within the specific time frame as notified in the Academic Calendar itself;

i) The dates for holding the Annual Sports Day has been fixed in co-ordination with the Elementary, Secondary and Higher Secondary Education Council so that students at all levels can participate in the sports activity in their schools at the same time and there is no difference in the timing periods.

All concerned are hereby requested to take appropriate action as mentioned above.

(Preetom Saikia, IAS)
Commissioner and Secretary to the Govt. of Assam
Secondary Education Department




প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী- ৭৮১০১৯

# শৈক্ষিক দিনপঞ্জী- ২০২০

## দিনপঞ্জীৰ উল্লেখনীয় দিশসমূহ

- দৈনন্দিন নিৰ্ধাৰিত সময়ত প্ৰাতঃসভাৰে বিদ্যালয়ৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰিব। **প্ৰাতঃসভাত প্ৰতিদিনে ৰাষ্ট্ৰীয় সংগীত বা অসমৰ জাতীয় সংগীত গোৱাৰ ব্যৱস্থা কৰিব।**
- প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে সৰু কালৰ পৰাই সু-স্বাস্থ্য আৰু সু-অভ্যাস গঢ়ি তুলিব পাৰে তাৰ বাবে প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে তলত দিয়া দিশসমূহত চকু দিব —

— অনাময় ব্যৱস্থা

— খোৱাপানী আৰু খাদ্য গ্ৰহণ

— পৰিষ্কাৰ-পৰিচ্ছন্নতা

**বিদ্যালয়ৰ সময়সূচী ঃ**

প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ শিশুৰ বাবে নিৰ্ধাৰিত ২ ঘণ্টা ৩০ মিনিট সময় তলত দিয়া ধৰণে ভাগ কৰি ল'ব —

| | | |
|---|---|---|
| প্ৰাতঃসভা (প্ৰয়োজন অনুসৰি এই সময় বৃদ্ধি কৰিব পাৰে) | — | ১৫ মিনিট |
| শৈক্ষিক বিষয়ৰ আদান-প্ৰদান | — | ২ ঘণ্টা ৫ মিনিট |
| বিৰতি | — | ১০ মিনিট |

অন্য শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ৬ ঘণ্টা ২৫ মিনিট (৯ বজাৰ পৰা ৩.২৫ বজালৈ ) বিদ্যালয়ত থাকিব লাগিব। এই সময়খিনি তলত দিয়া ধৰণে বিতৰণ কৰি ল'ব -

| | |
|---|---|
| প্ৰাতঃ সভা | - ১৫ মিনিট |
| শৈক্ষিক আদান প্ৰদান | - ৫ ঘণ্টা ২৫ মিনিট |
| প্ৰথম বিৰতি | - ১০ মিনিট |
| মধ্যাহ্ন ভোজন বিৰতি | - ৩৫ মিনিট |

- ২০২০ শিক্ষা বৰ্ষৰ মুঠ কৰ্মদিন ঃ ২৫৫, মুঠ শ্ৰেণীদিনঃ ২৩৫
- শৈক্ষিক দিনপঞ্জী অনুযায়ী জানুৱাৰী মাহৰ ৮ তাৰিখৰ পৰাই শিক্ষণ-শিকন প্ৰক্ৰিয়া আৰম্ভ কৰিব।
- অভিভাৱকৰ সৈতে পাঠ্যপুথি প্ৰাপ্তি আৰু নিয়মীয়া পাঠদান সম্পৰ্কে ১৮ জানুৱাৰীত আলোচনা কৰিব।
- জিলা কৰ্তৃপক্ষৰ ঘোষণা অনুযায়ী স্থানীয় বন্ধৰ দিন পালন কৰিব।
- কোনো বিশিষ্ট ব্যক্তিৰ বিয়োগ হ'লে সেইদিনা শ্ৰেণী শেষ হোৱাৰ পাছত শোক সভা অনুষ্ঠিত কৰিব। কোনো কাৰণতে যাতে জিলা কৰ্তৃপক্ষৰ অনুমতি নোলোৱাকৈ বিদ্যালয় বন্ধ বা অৰ্ধছুটী ঘোষণা কৰা নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিব।
- চৰকাৰৰ নিৰ্দেশ অনুযায়ী সময়ে সময়ে শৈক্ষিক দিনপঞ্জীৰ সালসলনি ঘটিব পাৰে; এই সালসলনিসমূহ যথা সময়ত জনোৱা হ'ব।
- মুঠ শ্ৰেণীদিন একে ৰাখি কতৃপক্ষৰ পূৰ্ব অনুমতি সাপেক্ষে বৰাক উপত্যকাত পূজাৰ বন্ধ ১০ দিনলৈ বঢ়াই গৰমৰ বন্ধত সমান সংখ্যক দিন কমাই ল'ব পাৰিব।
- **চাহবাগান অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধা অনুযায়ী নিম্ন প্ৰাথমিকৰ বাবে ৰাতিপুৱা ৭.৩০ৰ পৰা ১২.১৫ বজালৈ আৰু উচ্চ প্ৰাথমিকৰ বাবে ৰাতিপুৱা ৭.৩০ৰ পৰা ১.০০ বজালৈ সময় নিৰ্ধাৰণ কৰা হৈছে।**
- বানপানীৰ ফলত বা অন্যান্য কাৰণত শ্ৰেণীদান ব্যাহত হ'লে বন্ধ দিন, দেওবাৰ বা পৰৱৰ্তী কাৰ্য দিনত স্কুল ছুটীৰ পাছত পাঠদান কৰি এই ক্ষতি পূৰ কৰিব।
- মণ্ডল সমল শিক্ষক সভা, কেন্দ্ৰ সভা আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ মাগুলিক সভা প্ৰতি মাহত সুবিধা অনুসৰি যিকোনো এটা শনিবাৰে নিয়মীয়া পাঠদান ব্যাহত নোহোৱাকৈ অনুষ্ঠিত কৰিব।
- বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ [Children with Special Needs (CWSN)] পাঠ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষকে প্ৰয়োজন অনুসৰি পাঠ্যক্ৰমত সন্নিবিষ্ট ক্ৰিয়া-কলাপ সালসলনি কৰি তেওঁলোকৰ সহায়ক হোৱাকৈ নমনীয় ব্যৱস্থা ল'ব।
- শিক্ষকসকলে শিশুৰ পিতৃ-মাতৃ আৰু অভিভাৱকৰ লগত প্ৰতিমাহত অতি কমেও এবাৰ সাক্ষাতৰ ব্যৱস্থা কৰি শিশুসকলৰ উপস্থিতি, শিকন দক্ষতা, শিকন ফলাফল আৰু তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ বিকাশ সন্দৰ্ভত তেওঁলোকক অৱগত কৰিব।

## শিশুৰ অধিকাৰ সুৰক্ষা আইন, ২০০৫

**শিশুৰ অধিকাৰ সুৰক্ষা আয়োগ আইন, ২০০৫ৰ ক্ষমতা আৰু কাৰ্যাৱলী—**

- প্ৰচলিত কোনো আইনৰ অধীনত বা আইনৰ দ্বাৰা প্ৰদান কৰা শিশুৰ অধিকাৰ সুৰক্ষা সম্বন্ধীয় ব্যৱস্থাসমূহ পৰীক্ষা আৰু পুনৰীক্ষণ কৰি এইসমূহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত যথাযথ পৰামৰ্শ প্ৰদান কৰা
- আয়োগৰ সুবিধা অনুযায়ী শিশুৰ নিৰাপত্তাজনিত ব্যৱস্থাসমূহৰ কাৰ্যকৰণ সন্দৰ্ভত ৰাজ্য চৰকাৰক সময়ে সময়ে প্ৰতিবেদন দাখিল কৰা
- শিশুৰ কোনো অধিকাৰ উলংঘা কৰাৰ ক্ষেত্ৰত তাৎক্ষণিক তদন্ত কৰা আৰু এনে ক্ষেত্ৰত ল'বলগীয়া কাৰ্যব্যৱস্থাৰ বাবে পৰামৰ্শ দিয়া
- শিশুৰ অধিকাৰ বাধাগ্ৰস্ত কৰা কাৰকসমূহ, যেনে— সন্ত্ৰাসবাদ, সাম্প্ৰদায়িক হিংসা, বিদ্ৰোহ, প্ৰাকৃতিক দুৰ্যোগ, এইড্‌ছ, মানৱ সৰবৰাহ, উৎপীড়ন আৰু শোষণ আদিৰ দৰে অসামাজিক কাৰ্যবোৰ প্ৰতিৰোধ কৰাৰ কাৰণে ব্যৱস্থাৱলীৰ নিৰ্দেশ দিয়া
- যন্ত্ৰণাক্লিষ্ট শিশু, অনগ্ৰসৰ শিশু, অপৰাধত লিপ্ত হোৱা শিশু, অনাথ শিশুৰ ক্ষেত্ৰত ল'বলগীয়া যত্ন আৰু নিৰাপত্তা সম্পৰ্কীয় দিশসমূহ চালি-জাৰি চোৱা আৰু তাৰ উপযোগী ব্যৱস্থাৱলী সন্দৰ্ভত নিৰ্দেশ দিয়া
- শিশুৰ অধিকাৰ সন্দৰ্ভত সময়ে সময়ে স্বাক্ষৰিত হোৱা বিভিন্ন চুক্তি, আন্তৰ্জাতিক বিধিসমূহ অধ্যয়ন কৰা, শিশুৰ অধিকাৰ বিষয়ক কাম-কাজ, আঁচনি আৰু অন্যান্য কাৰ্যাৱলী সময়ে সময়ে পুনৰীক্ষণ কৰি চোৱা আৰু নীতি-নিয়মসমূহৰ প্ৰতি শিশুৰ আগ্ৰহ আৰু মনোযোগ সাপেক্ষে কাৰ্যকৰী কৰাৰ নিৰ্দেশ জাৰি কৰা
- 'শিশুৰ অধিকাৰ' শীৰ্ষক বিষয় সন্দৰ্ভত গৱেষণামূলক অধ্যয়নৰ বাবে উচিত পদক্ষেপ গ্ৰহণ কৰা
- শিশুৰ অধিকাৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত সংবাদ মাধ্যম, আলোচনা চক্ৰ, সজাগতামূলক কাৰ্যসূচী আৰু অন্যান্য মাধ্যমৰ যোগেদি সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত প্ৰচাৰ চলোৱা আৰু অধিকাৰসমূহ সুৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা
- যিকোনো অভিযোগ সন্দৰ্ভত অনুসন্ধান চলোৱা আৰু নিজাববীয়া জাননী জাৰি কৰা

## শিক্ষাৰ অধিকাৰ আইন, ২০০৯

**শিশুৰ শিক্ষাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ...**

- ৬-১৪ বছৰ বয়সৰ প্ৰতিজন শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰিব লাগিব।
- যদিহে ৬ বছৰৰ উৰ্ধৰ কোনো শিশুক বিদ্যালয়ত নামভৰ্তি কৰোৱা হোৱা নাই বা কোনোবাই যদি প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰাকৈ বিদ্যালয় এৰিছে, তেনেহ'লে সেই শিশুক বয়স অনুসৰি নিৰ্দিষ্ট শ্ৰেণীত নামভৰ্তি কৰিব লাগিব।
- নামভৰ্তিৰ বেলিকা শিশু, পিতৃ-মাতৃ অথবা অভিভাৱকৰ বাছনি পৰীক্ষা লব নোৱাৰিব।
- নামভৰ্তিৰ বাবে বদলি বা জন্মৰ প্ৰমাণপত্ৰ অন্তৰায় হ'ব নোৱাৰিব।
- ভাষা, ধৰ্ম, লিঙ্গ, জাতি নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ আৰু শিক্ষা নিশ্চিত কৰিব লাগিব।
- সকলো শিশুৰ নিৰ্দিষ্ট শিক্ষাবৰ্ষৰ শিকন ফলাফল নিশ্চিত কৰি পৰৱৰ্তী শ্ৰেণীলৈ উৰ্ত্তীন কৰাব লাগিব আৰু প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিব নোৱাৰিব।
- কোনো শিশুকে শাৰীৰিক শাস্তি আৰু মানসিক নিৰ্যাতন দিব নোৱাৰিব।
- বিদ্যালয়ত সকলো শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰিব লাগিব।
- ছাত্ৰ-ছাত্ৰীৰ শিকন ক্ষমতানুযায়ী শিশুকেন্দ্ৰিক শিক্ষণ-শিকন ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু শিকন অৰ্হতা নিৰ্ণয় কৰিবলৈ অবিৰত সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থা কৰিব লাগিব।
- বিদ্যালয় বহিৰ্ভূত সকলো শিশুকে চিনাক্ত কৰি বিদ্যালয়মুখী কৰিবলৈ যত্নপৰ হ'ব আৰু অৰ্হতা অৰ্জনৰ অৰ্থে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। এনে প্ৰচেষ্টা প্ৰব্ৰজনকাৰী শিশুৰ ক্ষেত্ৰতো ল'ব লাগিব।
- শিক্ষকে ঘৰুৱা শিক্ষকতা কৰা কাৰ্যৰ পৰা বিৰত থাকিব।
- বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলকো সম সুবিধা, নিৰাপত্তা আৰু সম্পূৰ্ণ অংশগ্ৰহণেৰে প্ৰাথমিক শিক্ষা লাভ কৰিবলৈ উৎসাহিত কৰিব লাগিব।
- পাঠদান আৰু তাৰ প্ৰস্তুতিৰ বাবে শিক্ষকসকলে সপ্তাহত ৪৫ ঘণ্টাকৈ বিদ্যালয়ত অতিবাহিত কৰিব লাগিব। দৈনিক সময় তালিকাৰ উপৰি শিক্ষকসকলে শিকনীয় দিশৰ প্ৰস্তুতি, মূল্যায়ন, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ লগত যোগাযোগ আৰু বিদ্যালয় উন্নয়ন পৰিকল্পনা কৰ্মসূচী আদিৰ কামত নিয়োজিত কৰিব লাগিব।

## প্ৰাক্-প্ৰাথমিক, প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰমত সন্নিবিষ্ট বিষয়সমূহ

(ক) প্ৰাক্-প্ৰাথমিক শ্ৰেনী

**প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ শিক্ষাৰ উদ্দেশ্য হৈছে —**

- শিশুসকলক বিদ্যালয়মুখী কৰাৰ বাবে পৰিৱেশ সৃষ্টি কৰা
- শিশুৰ সৰ্বাংগীন বিকাশত অৰিহণা যোগোৱা
- আনুষ্ঠানিক শিক্ষাৰ বাবে ধাউতি বঢ়োৱা আৰু প্ৰস্তুত কৰি তোলা

**সৰ্বাংগীন বিকাশৰ প্ৰধান দিশসমূহ হৈছে —**

- ভাষাৰ বিকাশ
- বোধ শক্তিৰ বিকাশ
- শাৰীৰিক বিকাশ
- সামাজিক আৰু আৱেগিক বিকাশ
- সৌন্দৰ্যবোধৰ বিকাশ
- সৃজনীমূলক শক্তিৰ বিকাশ

এই স্তৰত শিশুক খেল-ধেমালিৰ জৰিয়তে উক্ত গোটেই কেইটা দিশৰে বিকাশ সাধন কৰিবলৈ বিভিন্ন ক্ৰিয়া-কলাপৰ ব্যৱস্থা কৰা হয়। এইক্ষেত্ৰত শিক্ষয়িত্ৰীসকলে বিশেষ মন কৰিবলগীয়া দিশকেইটা হৈছে — এই পৰ্যায়ৰ শ্ৰেণীৰ বাবে অনুমোদিত কৰ্মপুথিসমূহ বিদ্যালয়ত প্ৰথম তিনিটা মাহত ব্যৱহাৰ কৰিবলৈ দিব নালাগে। এই তিনিটা মাহত বিদ্যালয়ৰ পৰিৱেশৰ লগত শিশুসকল যাতে খাপ খাব পাৰে তাৰ বাবে গীত-মাত, খেলা-ধূলা আৰু কথোপকথন আদি কাৰ্য কৰাব লাগে।

**প্ৰাক্-প্ৰাথমিক পাঠ্যক্ৰমত সামৰি লোৱা দিশসমূহ —**

শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে শিক্ষয়িত্ৰীয়ে বিষয়ভিত্তিক পৰিকল্পনা কৰিব লাগে। বিষয়ভিত্তিক পৰিকল্পনা হৈছে —

⇨ বিভিন্ন বিষয়বস্তুক কেন্দ্ৰ কৰি প্ৰাক্-প্ৰাথমিক পৰ্যায়ৰ শিশুৰ উপযোগীকৈ যুগুতোৱা ক্ৰিয়া-কলাপৰ এক বিশদ বিৱৰণ।

⇨ বিষয়ভিত্তিক পৰিকল্পনাৰ গুৰুত্বপূৰ্ণ দিশবোৰ ক্ৰমে সহজৰ পৰা জটিললৈ আগবাঢ়ে অৰ্থাৎ প্ৰথমে বিষয়বস্তু সহজ বা শিশুৰ চিনাকি হ'ব লাগে আৰু লাহে লাহে অচিনাকি বা জটিললৈ আগবাঢ়িব লাগে।

⇨ শিশুক বিদ্যালয়ৰ পৰিৱেশৰ প্ৰতি আগ্ৰহান্বিত কৰিবলৈ চিনাকি হোৱা, খেল-ধেমালি, গীত-মাত, কথোপকথন আদি কৰাব লাগে।

এইক্ষেত্ৰত শিক্ষয়িত্ৰীসকলে তলত দিয়া ধৰণে মাহভিত্তিক, বিষয়বস্তুভিত্তিক ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিলে শিশুক বিদ্যালয়ৰ পৰিৱেশৰ প্ৰতি আকৰ্ষিত কৰিব পাৰিব।

| | |
|---|---|
| মাৰ্চ | — গছ-গছনি, ফুল |
| এপ্ৰিল | — ফল-মূল, শাক-পাচলি |
| মে' | — জীৱ, চৰাই |
| জুন | — অংগ-প্ৰত্যংগ, যান-বাহন |
| জুলাই | — গৰমৰ বন্ধ |
| আগষ্ট | — ঘৰ, পোছাক |
| ছেপ্তেম্বৰ | — পানী, কীট-পতংগ |
| অক্টোবৰ | — আকাশ, জীৱিকা |
| নৱেম্বৰ | — বজাৰ, উৎসৱ |
| ডিচেম্বৰ | — পুনৰ আলোচনা |

ইয়াৰ বিশদ বিৱৰণ এই পৰ্যায়ৰ শিক্ষয়িত্ৰীৰ বাবে প্ৰস্তুত কৰা 'বিষয়বস্তুভিত্তিক ক্ৰিয়া-কলাপৰ পৰিকল্পনা'ত দাঙি ধৰা হৈছে।

**(খ) নিম্ন প্ৰাথমিক স্তৰ (প্ৰথম শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীলৈ)**

বিষয়

- **ভাষা ১** ❍ মাতৃভাষা বা মাধ্যম ভাষা
- **ভাষা ২** ❍ ইংৰাজী (ইংৰাজীৰ বাহিৰে আন মাধ্যমৰ বিদ্যালয়ৰ বাবে)
  ❍ ৰাজ্যিক/সহযোগী ৰাজ্যিক ভাষাৰ যিকোনো এটা (ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাবে)
- **গণিত**
- **পৰিৱেশ অধ্যয়ন** (প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত সমন্বিতভাৱে ভাষা আৰু আন বিষয়ৰ লগত সংলগ্নভাৱে থাকিব)
- **স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা**
- **কলা শিক্ষা**

(যিবোৰ বিদ্যালয়ত অন্য ভাষা যেনে— মিছিং, তিৱা, ৰাভা, টাই, দেউৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী আদি ভাষাৰ ছাত্ৰ-ছাত্ৰী আছে, সেইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে মাধ্যম ভাষাৰ লগতে তেওঁলোকৰ মাতৃভাষা শিকাৰ বাবে পাঠদান কৰাৰো ব্যৱস্থা কৰিব।)

**(গ) উচ্চ প্ৰাথমিক স্তৰ (ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈ)**

বিষয়

- **ভাষা ১** ❍ মাতৃভাষা বা মাধ্যম ভাষা
- **ভাষা ২** ❍ ইংৰাজী (ইংৰাজীৰ বাহিৰে আন মাধ্যমৰ বিদ্যালয়ৰ বাবে)
  ❍ ৰাজ্যিক/সহযোগী ৰাজ্যিক ভাষাৰ যিকোনো এটা (ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাবে)
- **ভাষা ৩** ❍ ছাত্ৰ-ছাত্ৰীয়ে ভাষা ৩ৰ বাবে বিদ্যালয়ৰ মাধ্যম অনুসৰি (ক) বা (খ) ল'ব পাৰিব -

  (ক) হিন্দী (১০০%)

  বা

  হিন্দী (৫০%) + ভাষা ৪ (৫০%)

  (খ) ৰাজ্যিক ভাষা/সহযোগী ৰাজ্যিক ভাষাৰ যিকোনো এটা (১০০%)

  বা

  ৰাজ্যিক ভাষা {(৫০%) + ভাষা ৪ (৫০%)}

{ভাষা ৪ বাধ্যতামূলক নহয়। শিক্ষাৰ্থীয়ে তৃতীয় ভাষাৰ (৫০%) লগতে যদি ইচ্ছা কৰে চতুৰ্থ ভাষা (৫০%) অৰ্থাৎ সংস্কৃত/আৰবী/অন্য ভাষা (যদিহে ভাষাটো প্ৰথম ভাষা হিচাপে পঢ়িবলৈ সুবিধা নাপায়) ল'ব পাৰিব}।

- **গণিত**
- **বিজ্ঞান**
- **সমাজ বিজ্ঞান**
- **স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা**
- **কলা শিক্ষা** আৰু
- **কৰ্ম শিক্ষা**

## সৰ্বাত্মক শিক্ষা

❍ সৰ্বাত্মক শিক্ষা ব্যৱস্থা হৈছে বিদ্যালয়ৰ সকলো কাৰ্যসুচীত সকলো ছাত্ৰ-ছাত্ৰীৰ সমান অংশগ্ৰহণ।

❍ সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত সন্নিবিষ্ট হৈ আছে --

- বিশেষ প্ৰয়োজন সম্পন্ন শিশু
- বিভিন্ন ভাষা-ভাষী তথা জাতি, জনজাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে শিশু
- প্ৰখৰ মেধাসম্পন্ন শিশুৰ লগতে কম মেধাসম্পন্ন শিশু

❍ সৰ্বাত্মক শিক্ষাত বিভিন্ন ধৰণৰ শিশুসকলৰ বিকাশৰ প্ৰয়োজন অনুসৰি শিক্ষকে শ্ৰেণীকোঠাৰ সামগ্ৰিক বাতাবৰণ সাল সলনি কৰি ল'ব পাৰে।

❍ শ্ৰেণীকোঠাৰ সামগ্ৰিক ক্ষেত্ৰত সন্নিবিষ্ট বিভিন্ন দিশসমূহ হ'ল - পাঠ্যক্ৰম, পাঠ্যপুথি, শিক্ষণ-শিকন সামগ্ৰী, শিক্ষণ-শিকন কৌশল বা পদ্ধতি, শ্ৰেণীকোঠাৰ পৰিৱেশ, মূল্যায়ন ব্যৱস্থা, শিক্ষকৰ ধনাত্মক মনোভাব আদি।

## শান্তি শিক্ষা

❍ শান্তি শিক্ষাৰ উদ্দেশ্য হৈছে সমাজত শান্তিৰে বাস কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰয়োজনীয় গুণৰ বিকাশ ঘটোৱা।

❍ শান্তি শিক্ষা বিদ্যালয়ৰ বাবে এটা সুকীয়া বিষয় নহয় যদিও ছাত্ৰ-ছাত্ৰীৰ মনত এই ভাব প্ৰোথিত কৰাৰ বাবে বিভিন্ন কাৰ্যকলাপৰ সহায় লোৱা হৈছে।

**শান্তি শিক্ষাৰ বাবে কৰিবলগীয়া কিছু ক্ৰিয়া-কলাপ —**

**ধ্যান ঃ**

⇨ পাঠদান আৰম্ভ হোৱাৰ আগতে ক্ষন্তেক সময় ছাত্ৰ-ছাত্ৰীক মৌনতা অৱলম্বন কৰিবলৈ দিব। ইয়াৰ ফলত মন শান্ত হৈ পৰিব আৰু মনোযোগ বাঢ়িব।

**শান্তি বাৰ্তা ঃ**

⇨ মনৰ খেলিমেলি ভাব দূৰ কৰি শান্ত সমাহিতভাৱে মনৰ ভাব ব্যক্ত কৰিবলৈ সৃজনীমূলক লিখনিৰ প্ৰতি অনুপ্ৰাণিত কৰিব।

**প্ৰকৃতিৰ সৈতে একাত্মতা ঃ**

⇨ সুবিধাজনক নিৰিবিলি ঠাইত কিছু সময় প্ৰাকৃতিক পৰিৱেশৰ লগত কটাবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিব।

**শান্তিৰ প্ৰতীক ঃ**

⇨ শান্তিৰ প্ৰতীক কিছুমান, যেনে— কপৌ চৰাই বা পাৰ চৰাইৰ ছবি আঁকি বা হাতৰ ছবিত **'শান্তি'** লিখি শ্ৰেণীৰ বেৰত আঁৰি থব।

**বিশ্ব শান্তিৰ বাবে ৰচিত গীত শুনা আৰু গোৱা ঃ**

⇨ ছাত্ৰ-ছাত্ৰীৰ মনত সহানুভূতি, সমবেদনা, মানৱতাবোধ আদি ভাবৰ বিকাশ ঘটাবলৈ এই সম্পৰ্কীয় কিছুমান প্ৰচলিত গান শুনিবলৈ, গাবলৈ বা কবিতা আবৃত্তি কৰিবলৈ অনুপ্ৰাণিত কৰিব।

## বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

**ছাত্ৰ সংসদ ঃ**

বিদ্যালয়খন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সকলোৰে সহায়-সহযোগ অপৰিহাৰ্য। প্ৰতি বিদ্যালয়তে শিক্ষকসকলক সহায় কৰিবৰ বাবে আৰু বিদ্যালয়ৰ বিভিন্ন কাম-কাজ সূচাৰুৰূপে চলাবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰ সংসদ গঠন কৰি বিভিন্ন কামৰ দায়িত্ব অৰ্পণ কৰিব।

ইয়াৰ জৰিয়তে শিশুসকলক স্বাধীনভাৱে কাম কৰা আৰু চিন্তা কৰি চোৱাৰ সুযোগ দিব পৰা যাব। মন কৰিবলগীয়া কথা যে, ছাত্ৰ-ছাত্ৰীয়ে নিখুঁতভাৱে কাৰ্য সম্পন্ন কৰাটো ছাত্ৰ সংসদৰ একমাত্ৰ লক্ষ্য নহয়। ইয়াৰ জৰিয়তে তেওঁলোকে স্বতঃস্ফূৰ্তভাৱে বহুত কথা শিকিব। ছাত্ৰ সংসদৰ উদ্দেশ্য হ'ল —

- ছাত্ৰ-ছাত্ৰীয়ে সভা পাতি ভাষণ দিবলৈ, নাচ-গান, কবিতা আবৃত্তি, অভিনয় আদি পৰিৱেশন কৰিবলৈ শিকিব।
- মিলি-জুলি কাম কৰিবলৈ আৰু যিকোনো বিষয়ৰ আলোচনা কৰি সিদ্ধান্ত ল'বলৈ শিকিব।
- আত্মবিশ্বাস গঢ়িব, নেতৃত্ব গুণৰ বিকাশ হ'ব, শৃঙ্খলাবদ্ধতা আৰু সমাজ সচেতনতা বাঢ়িব।
- অভিভাৱকে নিয়মিতভাৱে বিদ্যালয়ৰ খবৰবোৰ পাব আৰু নিজৰ চিন্তা, ধ্যান-ধাৰণা বিদ্যালয়লৈ প্ৰেৰণ কৰিব পাৰিব।
- ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ মাজত মধুৰ সম্পৰ্ক গঢ়ি উঠিব।
- বিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে বিভিন্ন কামৰ নেতৃত্ব লোৱাৰ সুবিধা পায়, সেই অৰ্থে দায়িত্বসমূহ প্ৰতি দুমাহৰ মূৰে মূৰে পৰিৱৰ্তন কৰিব।

প্ৰতিখন বিদ্যালয়ত অসমৰ প্ৰসিদ্ধ ব্যক্তিৰ নামত কেইবাটাও গোট গঠন কৰিব, যেনে- জয়মতী গোট, লাচিত বৰফুকন গোট, কনকলতা গোট, মণিৰাম দেৱান গোট, জ্যোতিপ্ৰসাদ আগৰৱালা গোট আদি। প্ৰতিটো গোটত প্ৰতিটো শ্ৰেণীৰ সমান সংখ্যক ছাত্ৰ-ছাত্ৰী সভ্য হ'ব। এই গোটসমূহে পৰ্যায়ক্ৰমে বিভিন্ন কাম-কাজৰ দায়িত্ব ল'ব। প্ৰতিটো দলৰ কাৰ্যাৱলীৰ ওপৰত ভিত্তি কৰি বছৰৰ শেষত শ্ৰেষ্ঠ গোটক স্বীকৃতি প্ৰদান কৰি উৎসাহিত কৰিব।

■ প্ৰাথমিক পৰ্যায়ৰ সকলো বিদ্যালয়ত ২০২০ বৰ্ষৰ ৮ জানুৱাৰীৰ পৰা নিয়মীয়া শ্ৰেণী দিন আৰম্ভ হ'ব।

# 'উৎসৱ বিদ্যাৰম্ভ' আঁচনি

শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ক সঠিকভাৱে ৰূপায়ন কৰাৰ ক্ষেত্ৰত চৰকাৰে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ পাছতো দেখা গৈছে যে বুজন সংখ্যক চৰকাৰী বিদ্যালয়ত শিশুৰ নামভৰ্তিকৰণৰ সংখ্যা আজিও নিম্নমুখী। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়ত শিশুৰ নামভৰ্তিকৰণৰ সংখ্যা বৃদ্ধিৰ উদ্দেশ্যে বৰ্তমান চৰকাৰে 'উৎসৱ বিদ্যাৰম্ভ' আঁচনি শীৰ্ষক এক কাৰ্যক্ৰম আৰম্ভ কৰিছে যাৰ জৰিয়তে ৩১ ডিচেম্বৰৰ ভিতৰত সকলো বিদ্যালয়ত নতুন নামভৰ্তিকৰণৰ কাম সমাপ্ত হ'ব লাগিব আৰু জানুৱাৰী মাহৰ প্ৰথম পযেকৰ পৰা শ্ৰেণী দিন আৰম্ভ হোৱাটো নিশ্চিত কৰিব লাগিব।

'উৎসৱ বিদ্যাৰম্ভ'ই সামৰি লোৱা কাৰ্যসূচীসমূহ হ'ল—

**প্ৰথম ভাগ ঃ নৱেম্বৰ মাহ**

- নতুন শিক্ষাবৰ্ষৰ নামভৰ্তিকৰণৰ বাবে বাতৰি কাকতত বিজ্ঞাপন জাৰি কৰিব লাগিব।
- নিৰ্দিষ্ট দিনত বিদ্যালয় পৰিচালনা সমিতিৰ সৈতে এক বিশেষ সভাৰ আয়োজন কৰিব য'ত স্থানীয় কৰ্তৃপক্ষক আমন্ত্ৰণ কৰিব। বিদ্যালয় পৰিচালনা সমিতিয়ে সেই অঞ্চলৰ শিশুৰ সামগ্ৰিক স্থিতি নিৰ্ধাৰণৰ অৰ্থে এক পৰিকল্পনা প্ৰস্তুত কৰিব আৰু সভাত তাৰ ওপৰত আলোচিত হ'ব।
- স্থানীয় কৰ্তৃপক্ষৰ নিৰীক্ষণত বিদ্যালয় পৰিচালনা সমিতি আৰু সমাজে যথা বয়সৰ শিশুৰ সামগ্ৰিক স্থিতি নিৰ্ধাৰণ কৰিব। বিদ্যালয় পৰিচালনা সমিতিয়ে বিদ্যালয়ে সামৰি লোৱা অঞ্চলৰ তেনে শিশুৰ তথ্যৰ ভিত্তিত বিদ্যালয় বৰ্হিভূত শিশুসকলকৰ তালিকা প্ৰস্তুত কৰিব।
- বিদ্যালয়ৰ শিক্ষকৰ সৈতে পৰিচালনা সমিতিয়ে বিদ্যালয় বহিৰ্ভূত শিশুৰ ঘৰলৈ গৈ পিতৃ-মাতৃ, অভিভাৱকক সেই শিশুসকলক পুনৰাই বিদ্যালয়লৈ পঠিয়াবলৈ অভিৰোচিত কৰিব।
- উপযুক্ত বয়সৰ সকলো শিশুৰ নামভৰ্তিকৰণৰ বাবে পিতৃ-মাতৃ আৰু অভিভাৱকলৈ বিদ্যালয়ত পৰিচালনা সমিতিয়ে স্থানীয় ভাষাত পত্ৰ প্ৰেৰণ কৰিব।
- স্থানীয় অঞ্চলৰ বিশেষ স্থানত নামভৰ্তিকৰণৰ বিজ্ঞপ্তি আঁৰি দিব লাগিব।
- বিদ্যালয় পৰিচালনা সমিতিৰ সহযোগত গাঁও, ৱাৰ্ড অথবা বাগিচাৰ লাইনত সভা-সমাবেশ আদিৰ আয়োজন কৰি বিদ্যালয়ত শিশুৰ নাম ভৰ্তিকৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব।
- দৈনিক আৰু সাপ্তাহিক বজাৰ আদিৰ দৰে অঞ্চলত জনসংযোগ, লোকশিল্পী, বাটৰ নাট, প'ষ্টাৰিং আদিৰ জৰিয়তে প্ৰচাৰৰ ব্যৱস্থা কৰিব।

**ডিচেম্বৰ মাহ**

- নতুন শিশুৰ নামভৰ্তিকৰণ
- চতুৰ্থ গোট মূল্যায়নৰ নিৰীক্ষণ আৰু ফলাফল ঘোষণা
- শ্ৰেণী অনুসৰি ৰেজিষ্টাৰত ছাত্ৰ-ছাত্ৰীৰ নাম লিখা
- স্থানীয় কৰ্তৃপক্ষ, সমাজ, পিতৃ-মাতৃ, অভিভাৱক, মাতৃ গোট, শিক্ষক, ছাত্ৰ-ছাত্ৰী আদিৰ সহযোগত বিদ্যালয় প্ৰাঙ্গন, শৌচালয়, মধ্যাহ্ন ভোজনৰ ৰান্ধনিশাল, পানী জমা ৰখাৰ পাত্ৰৰ পৰিষ্কাৰকৰণ
- বিদ্যালয় পৰিচালনা সমিতি, মাতৃ গোট, স্থানীয় কৰ্তৃপক্ষৰ সহযোগত বিদ্যালয়ৰ বিভিন্ন সমল, সামগ্ৰীৰ প্ৰদৰ্শনী অনুষ্ঠানৰ আয়োজন
  - *(উল্লিখিত কাৰ্যসমূহ নিৰ্দিষ্ট দিনত সম্পাদন কৰিবলৈ আগন্তুক সময়ত চৰকাৰী নিৰ্দেশনা অনুসৰণ কৰিব লাগিব।)*
  - *(বিদ্যালয়লৈ স্বেচ্ছামূলক (আৰ্থিক/অন্যান্য)ভাৱে অৱদান যোগাবলৈ স্থানীয় সমাজক উৎসাহিত কৰিব আৰু তেনে অৱদানসমূহ নিখুতভাৱে লিপিবদ্ধ কৰি ৰাখিব।)*

**দ্বিতীয় ভাগ ঃ জানুৱাৰী মাহ ২০২০**

**১ জানুৱাৰী ঃ**

- শিক্ষক/ছাত্ৰ-ছাত্ৰী/সমাজৰ ব্যক্তি /স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা বৃক্ষ ৰোপণ
- বিগত বৰ্ষৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণী অনুসৰি অভিনন্দিত কৰাৰ লগতে পিতৃ-মাতৃ- অভিভাৱকসকলকো সম্ভাষণ জ্ঞাপন।
- ছাত্ৰ-ছাত্ৰী, শিক্ষক, মাতৃ গোট, সমাজৰ ব্যক্তি, বিদ্যালয় পৰিচালনা সমিতিৰ সহযোগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন।
- এইসমূহ ব্যক্তিৰ দ্বাৰা গধূলি বিদ্যালয় চৌহদত বন্তি প্ৰজ্বলন।
- একে দিনতে শিক্ষক, ছাত্ৰ-ছাত্ৰী, পিতৃ-মাতৃ, অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলৰ দ্বাৰা সংকল্প গ্ৰহণ—

**ছাত্ৰ-ছাত্ৰীৰ সংকল্প ঃ**

"এইখন আমাৰ বিদ্যালয়,
আমি প্ৰতিদিনে বিদ্যালয়লৈ আহিম।
আমি আমাৰ শিক্ষাগুৰু আৰু জ্যেষ্ঠসকলৰ প্ৰতি উচিত সন্মান প্ৰদৰ্শন কৰিম।
আমি পৰিষ্কাৰ-পৰিছন্ন হৈ বিদ্যালয়লৈ আহিম ।
আৰু বিদ্যালয়খনকো পৰিষ্কাৰ কৰি ৰাখিম।
আমি আমাৰ বন্ধু-বান্ধৱীসকলৰ লগত মিলাপ্ৰীতিৰে থাকিম।
আমি আমাৰ দেশৰ ভৱিষ্যৎ নাগৰিক,
দেশৰ সন্মান আৰু উন্নতিৰ হকে আমি কাম কৰিবলৈ সংকল্প গ্ৰহণ কৰিছো।"

**শিক্ষকৰ সংকল্প ঃ**

মই শ্ৰী/শ্ৰীমতী..........................................
আমাৰ ৰাজ্যৰ সাৰ্বজনীন প্ৰাথমিক শিক্ষা নিশ্চিতকৰণৰ বাবে দৃঢ়তাৰে কাম কৰিবলৈ আজিৰ দিনটোত সংকল্প গ্ৰহণ কৰিছো।
মই ছাত্ৰ-ছাত্ৰীসকলক উচিত শিক্ষা দিবলৈ কঠোৰ পৰিশ্ৰম কৰিম।
মই সকলো শিশুক সমদৃষ্টিৰে চাম।

**অভিভাৱকৰ সংকল্প ঃ**

এইখন আমাৰ বিদ্যালয়,
আমি আমাৰ সন্তানসকলক প্ৰতিদিনে বিদ্যালয়লৈ পঠিয়াম।
আমি আমাৰ সন্তানৰ পৰিষ্কাৰ-পৰিছন্নতাৰ প্ৰতি চকু ৰাখিম।
আমি আমাৰ সন্তানক ভৱিষ্যতৰ দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ সংকল্পবদ্ধ।

**বিদ্যালয় পৰিচালনা সমিতি সদস্যসকলৰ সংকল্প ঃ**

"এইখন আমাৰ বিদ্যালয়,
আমি আমাৰ বিদ্যালয়ৰ উন্নতিৰ বাবে সহায়-সহযোগিতা আগবঢ়াম।
আমি বিদ্যালয়খন সুচাৰুৰূপে চলাই নিয়াত অগ্ৰাধিকাৰ দিম।
আমি বিদ্যালয়ৰ উন্নয়ন পৰিকল্পনা সঠিকভাৱে প্ৰস্তুত কৰিম।
আমি বিদ্যালয়ৰ মংগলৰ হকে প্ৰতিটো কাৰ্যসূচীত অংশগ্ৰহণ কৰিম।"

*(বিদ্যালয় পৰিচালনা সমিতিয়ে 'উৎসৱ বিদ্যাৰম্ভ' কাৰ্যসূচীৰ সময়ত উক্ত কাৰ্যসমূহৰ সঠিক নিৰীক্ষণ আৰু নথিকৰণ কৰিব।)*

## অবিৰত আৰু সামগ্ৰিক মূল্যায়ন

- অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ দিশটোক সঠিকভাৱে নিৰূপণ কৰাত সহায় কৰে।
- এই ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, শাৰীৰিক, আৱেগিক, সামাজিক আৰু সৃষ্টিমূলক মানসিকতা বিকাশৰ ওপৰত গুৰুত্ব প্ৰদাণ কৰিছে।
- অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাই শিকাৰুৰ চিন্তা আৰু বোধশক্তিৰ উন্মেষ ঘটাত সহায় কৰে।
- অবিৰতমূল্যায়নৰ অৰ্থ হ'ল বিৰতিহীনভাৱে কৰা মূল্যায়ন, য'ত শিকাৰুৰ পূৰ্বৰ শিকণ স্থিতিৰ পৰিবৰ্তন নিৰ্ধাৰণ কৰাৰ লগতে শিকণ ব্যৱধানসমূহো নথিভূক্ত কৰি বিশ্লেষণ কৰা হয় আৰু প্ৰতিকাৰৰ উপায় নিৰ্ণয় কৰা হয়।
- সামগ্ৰিক মূল্যায়নে এইটো নিশ্চিত কৰে যে অকল পুথিগত শিক্ষাই ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা প্ৰদান কৰিব নোৱাৰে যদিহে তাৰ সমান্তৰালভাৱে তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ বিকাশ ঘটোৱা নহয়। অৰ্থাৎ সামগ্ৰিক মূল্যায়নে এজন ছাত্ৰ বা ছাত্ৰীৰ সকলো দিশৰ অগ্ৰগতিৰ সঠিক পৰ্যালোচনা কৰে।

### অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ লগত জড়িত কেইটামান উল্লেখযোগ্য দিশ—

- শিক্ষণ-শিকন প্ৰক্ৰিয়া চলি থকাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ গুণগত দিশৰ সফলতা —অৰ্থাৎ শিকোৱা কথাখিনি কিমানদূৰ আয়ত্ত কৰিব পাৰিছে তাক জুখি চোৱা অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ প্ৰধান লক্ষ্য।
- নিৰ্দিষ্ট সময়ৰ অন্তত ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃতাৰ্থত কি পৰ্যায়লৈ অগ্ৰগতি লাভ কৰিছে তাৰ ওপৰত আলোকপাত কৰি যথাযথ ব্যৱস্থা লোৱাৰ সুযোগ পোৱা যায়।
- 'সামগ্ৰিক' শব্দটোৰ দ্বাৰা মূল্যায়নত সমগ্ৰ পাঠ্যক্ৰমখন সামৰাৰ কথা বুজোৱা হৈছে যদিও ছাত্ৰ-ছাত্ৰীয়ে অগ্ৰগতিৰ ক্ষেত্ৰত তেওঁলোকৰ সামৰ্থ আৰু অভিৰুচি থকা বিষয়ৰহে অগ্ৰগতিৰ মূল্যায়ন কৰাৰ ওপৰত গুৰুত্ব দিছে।
- ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ, উদাহৰণস্বৰূপে— শিকনৰ প্ৰতি তেওঁলোকৰ মনোভাব, সামাজিক আদান-প্ৰদান, আৱেগিক নিয়ন্ত্ৰণ, অভিৰোচন, স্বাস্থ্য, সবলতা আৰু দুৰ্বলতা ইত্যাদি দিশৰ উন্নীতকৰণত সহায় কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক আনৰ সৈতে তুলনা কৰাতকৈ নিজে আগতকৈ কিমানখিনি উন্নতি কৰিছে সেই কথাকে কৈ ছাত্ৰ-ছাত্ৰীক উদ্‌গনি দিয়া উচিত।

**অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ আহিলা —**

১) মৌখিক প্ৰশ্ন
২) লিখিত প্ৰশ্ন
৩) ক্ৰিয়া-কলাপ
৪) প্ৰকল্প
৫) দলীয় কাৰ্য
৬) পৰ্যৱেক্ষণ/নিৰীক্ষণ তালিকা
৭) ক্ষেত্ৰ অধ্যয়ন
৮) কুইজ/আকস্মিক বক্তৃতা/তৰ্ক প্ৰতিযোগিতা ইত্যাদি

**শিক্ষকে বিশেষভাৱে মন কৰিবলগীয়া কথা (শিক্ষকৰ প্ৰতিফলন) ঃ**

- ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ক্ৰিয়া-কলাপত সম্পূৰ্ণভাৱে জড়িত কৰিব পাৰিছোঁনে ?
- তেওঁলোকে উপযুক্তভাৱে শিকিব পাৰিছেনে ?
- তেওঁলোকৰ বিভিন্ন প্ৰয়োজন বুজিব পাৰিছোঁনে ?
- শ্ৰেণীত কোনোবা ছাত্ৰ-ছাত্ৰী বুজি নোপোৱাকৈ আছে নেকি ? তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰি শিকন কাৰ্যত অধিক আগ্ৰহান্বিত কৰিবলৈ কি কি ব্যৱস্থা হাতত ল'ব পাৰোঁ ?

## গুণোৎসৱ (গুণগত শিক্ষা প্ৰসাৰৰ এক অভিনৱ পদক্ষেপ)

- 'শিক্ষাৰ অধিকাৰ আইন, ২০০৯'ৰ চৰ্ত অনুসৰি সমগ্ৰ দেশতে ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰ শিক্ষাৰ গুণগত মান প্ৰসাৰৰ ক্ষেত্ৰত সময়ে সময়ে ভিন ভিন প্ৰচেষ্টা অব্যাহত আছে য'ত অন্তৰ্নিহিত হৈ আছে শিশুৰ শিকনৰ মান নিৰূপনৰ জৰিয়তে শিকন ব্যৱধানসমূহৰ চিনাক্তকৰণ আৰু যথোচিত নিদানমূলক ব্যৱস্থা গ্ৰহণেৰে সকলো শিশুৰ শিকনৰ মান উত্তৰণৰ দৰে সুদূৰপ্ৰসাৰি ব্যৱস্থা।
- বৰ্তমান আমাৰ ৰাজ্য চৰকাৰখনেও ৰাজ্যৰ প্ৰতিজন শিশুৰ শিক্ষাৰ উৎকৰ্যতাক অগ্ৰাধিকাৰ প্ৰদান কৰি ২০১৭ বৰ্ষৰ পৰা পৰ্যায়ক্ৰমে ৰাজ্যখনত 'গুণোৎসৱ' আঁচনি উদ্‌যাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে।
- অসম চৰকাৰ, সৰ্বশিক্ষা অভিযান মিছন, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ আৰু প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত হ'বলগীয়া এই ব্যৱস্থা এক সমকেন্দ্ৰিক প্ৰচেষ্টা হিচাপে বিবেচিত।

**আঁচনিখনৰ মূল উদ্দেশ্য ঃ**

- অবিৰত সামগ্ৰিক মূল্যায়নৰ আধাৰত প্ৰতিগৰাকী শিশুৰ মান নিৰূপণ কৰি শিকন ব্যৱধান চিনাক্ত কৰা
- প্ৰাথমিক পৰ্যায়ত প্ৰতিগৰাকী শিশুৰ শিকনৰ অগ্ৰগতি আৰু শিকনৰ সাফল্য লাভ সুনিশ্চিত কৰা
- প্ৰজ্ঞাত্মক, সহ প্ৰজ্ঞাত্মক, বিদ্যালয়ৰ পৰিকাঠামোৰ পৰ্যাপ্ততা আৰু ব্যৱহাৰ, সমাজৰ অংশগ্ৰহণ — এইকেইটা মূল দিশক কেন্দ্ৰ কৰি বিদ্যালয়ৰ সামগ্ৰিক প্ৰদৰ্শনৰ মান নিৰূপণ কৰা
- ফলপ্ৰসু কৌশলৰ অৱলম্বণত শিকন ব্যৱধানসমূহ নাইকীয়া কৰা
- শিক্ষক, ছাত্ৰ-ছাত্ৰী, প্ৰশাসক আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণেৰে এই প্ৰচেষ্টা ত্বৰান্বিত কৰা

**আঁচনিখনৰ আকাংক্ষিত ফলাফল ঃ**

- সফলতাৰে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাত প্ৰতিগৰাকী শিশুক সহায় কৰা
- অষ্টম শ্ৰেণীলৈ প্ৰতিগৰাকী শিশুৰ শিকন পৰ্যায় আৰু শিকন ব্যৱধান চিনাক্ত হোৱাত সহায় কৰা
- উন্নতমানৰ প্ৰদৰ্শনৰ বাবে বিদ্যালয়ৰ সামগ্ৰিক দিশৰ বিচাৰ আৰু পৰ্যালোচনাত সহায় কৰা
- আঁচনি সম্পৰ্কে সমাজত সজাগতা সৃষ্টিৰ লগতে প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ লগত জড়িত প্ৰতিজন কৰ্মকৰ্তাৰ সম্পূৰ্ণ অংশগ্ৰহণ নিশ্চিত কৰা
- প্ৰাথমিক শিক্ষা আধৰুৱা কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ হাৰ অৱনমিত কৰা
- শিক্ষকৰ দায়িত্ব বৰ্ধনত সহায় কৰা

**মান নিৰূপণ ঃ**

- মান নিৰূপণ সন্দৰ্ভত আঁচনিখনে কেইটামান নিৰ্দিষ্ট দিশ সামৰি লৈছে, সেয়া হ'ল— সামগ্ৰিক দিশত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শন, বিদ্যালয়ৰ পৰিকাঠামোৰ পৰ্যাপ্ততা আৰু ব্যৱহাৰ আৰু সমাজৰ সহযোগিতামূলক অংশগ্ৰহণ। এই মান নিৰূপণ প্ৰক্ৰিয়া দুইধৰণে সম্পাদিত হ'ব। প্ৰথম অৱস্থাত বিদ্যালয়ে নিজাববীয়াকৈ উপৰোক্ত দিশকেইটাৰ মান নিৰূপণ কৰিব আৰু দ্বিতীয় পৰ্যায়ৰ নিৰূপণ সম্পাদিত হ'ব বাহ্যিক নিৰ্ধাৰণকাৰীৰ জৰিয়তে।
- মান নিৰূপণৰ পৰবৰ্তী পৰ্যায়ত প্ৰতিটো বিষয়ৰ অন্তৰ্গত প্ৰতিটো প্ৰশ্নৰ বিপৰীতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনৰ লিখিত টোকাৰ ভিত্তিত খতিয়ান পত্ৰ যুগুত কৰা হ'ব। এই প্ৰক্ৰিয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শিকন ব্যৱধান চিনাক্ত কৰি যথোচিত নিদানমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব যাতে তাৰ ভিত্তিত শিকন ব্যৱধানসমূহ নোহোৱা কৰি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক এক প্ৰত্যাশিত শিকন পৰ্যায়ত উপনীত কৰিব পাৰি।

## দীক্ষা (DIKSHA)

দীক্ষা (DIKSHA) হ'ল ভাৰত চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তিত এক ৱেব পৰ্টেল যাৰ সহায়ত শিক্ষকসকলে তেখেতসকলৰ জ্ঞান, চিন্তা, ধাৰণাসমুহ ডিজিটেল পদ্ধতিৰে আনৰ লগত আদান-প্ৰদান কৰিব পাৰে। এই ৱেব পৰ্টেলৰ সহায়ত ৰাজ্যখনৰ প্ৰাথমিক পৰ্যায়ৰ কিছুসংখ্যক পাঠ্যপুথি QR ক'ড সম্বলিত সক্ৰিয় পাঠ্যপুথি (Energized Text Book) হিচাপে প্ৰস্তুত কৰা হৈছে । পাঠ্যপুথিত সংযোজিত QR ক'ডসমূহৰ লগত কিছুমান e-content সংলগ্ন কৰা হৈছে। এই QR ক'ডসমূহ scan কৰি শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে বহুতো নজনা তথ্য দেখা, শুনা আৰু বুজাৰ সুবিধা লাভ কৰিছে।

শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে ম'বাইল ফোনত DIKSHA APP ডাউনল'ড কৰি তাত থকা scannerৰ সহায়ত QR ক'ডসমূহ scan কৰি পাঠ্যপুথিত সন্নিবিষ্ট কৰা e-content চাব পাৰিব। সবিশেষ প্ৰক্ৰিয়াটো তলত দেখুওৱা হ'ল -


**পাঠ্যপুথিত সন্নিবিষ্ট QR ক'ডৰ ব্যৱহাৰৰ নিৰ্দেশনাৱলীঃ**

**ম'বাইলত QR ক'ড ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কিদৰে পাব পাৰিব ঃ**




1. পাঠ্যপুথিত থকা **QR** ক'ড **scan** কৰিবলৈ **QR** ক'ডৰ আইকনটোত টিপক।
2. **QR** ক'ডত কেন্দ্ৰ কৰি ম'বাইলটো স্থিৰ কৰি ৰাখক।
3. সফলভাৱে **scan** কৰিলে **QR** ক'ডত সম্পৰ্কিত হৈ থকা বিষয়বস্তুৰ তালিকাখন পাব।

**ডেস্কটপত ডায়েল (DIAL) ক'ড ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কিদৰে পাব পাৰিব ঃ**




1. **QR** ক'ডৰ তলত থকা **6** টা অংকবিশিষ্ট সংখ্যাটোক ডায়েল **(DIAL)** ক'ড বুলি কোৱা হয়।
2. আপোনাৰ ব্ৰাউজাৰত **diksha.gov.in/AS/get** টাইপ কৰক।




3. ডায়েল ক'ডটো চাৰ্চ বাৰডালত টাইপ কৰক।
4. উপলব্ধ বিষয়বস্তুৰ তালিকাখন চাওক আৰু যিকোনো নতুন বিষয়বস্তুত ক্লিক কৰক।

ইয়াৰ উপৰি শিক্ষক ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ দৃশ্য-শ্ৰব্য ডিজিটেল সমল DIKSHA, ASSAM নামৰ ৱেবপেজটো চাব পাৰিব। এই ৱেবপেজৰ url হৈছে https://diksha.gov.in/as/